# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-05-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
**HEADLINES**

00000

১। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে আজি হায়দৰাবাদত প্ৰায় ৯ হাজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে পশ্চিম এছিয়াৰ সংঘৰ্ষজৰ্জৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত সৃষ্টি হোৱা ইন্ধন সংকটৰ সু-ব্যৱস্থাপনা কৰাত চৰকাৰ সফল হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব মাৰ্কো ৰুবিঅ'ই মিয়ামিত কাটাৰৰ প্ৰধানমন্ত্ৰীৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথম খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে চেন্নাই ছুপাৰ কিংছক জয়ৰ বাবে ২০৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা বেংগালুৰুত দি আৰ্ট অৱ লিভিঙৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ লগতে আৰ্ট অৱ লিভিং আন্তৰ্জাতিক কেন্দ্ৰত নৱনিৰ্মিত ধ্যান মন্দিৰ উদ্বোধন কৰে। সমবেত লোকসকলক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে সেৱা, আধ্যাত্মিকতা আৰু সামাজিক ৰূপান্তকৰণত আৰ্ট অৱ লিভিং ফাউণ্ডেচনে লৈ অহা ভূমিকাক উচ্চ প্ৰশংসা কৰে। তেওঁ লগতে পৰিবেশগত দায়বদ্ধতা, যুৱ সবলীকৰণ আৰু অভ্যন্তৰীণ সুস্বাস্থ্যৰ জৰিয়তে এখন বিকশিত ভাৰত নিৰ্মাণৰ আহ্বান জনায়। শ্ৰীমোদীয়ে কয়, যে ৰাজনৈতিক ব্যৱস্থাতকৈ সামাজিক অংশগ্ৰহণ অধিক ক্ষমতাশালী আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে অধিক প্ৰয়োজনীয়।

আৰ্ট অৱ লিভিং ফাউণ্ডেছনৰ দৰে আধ্যাত্মিক কেন্দ্ৰসমূহৰ জৰিয়তে কৃষক তথা গ্ৰাম্য সম্প্ৰদায়সমূহে প্ৰাকৃতিক কৃষিৰ প্ৰতি উৎসাহিত হোৱাৰ লগতে মাটিৰ সাৰুৱা গুণত নেতিবাচক প্ৰভাৱ পেলোৱা ৰাসায়নিক সাৰৰ ব্যৱহাৰো হ্ৰাস কৰাত সহায় কৰে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই কেন্দ্ৰসমূহে অধিক শস্য উৎপাদনৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণত উৎসাহিত কৰাৰ লগতে জল সংৰক্ষণতো অৰিহণা যোগায়। তদুপৰি এনে কেন্দ্ৰসমূহে এবাৰ ব্যৱহাৰ যোগ্য প্লাষ্টিকৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাৰ লগতে শক্তি সঞ্চয় কৰাৰ ক্ষেত্ৰতো জনসাধাৰণক উৎসাহিত কৰে। শ্ৰীমোদীয়ে কয়, যে এনে কেন্দ্ৰসমূহে থলুৱা উৎপাদনসমূহক উৎসাহিত কৰাৰ লগতে প্ৰকৃতিমুখী জীৱনশৈলী আঁকোৱালি ল'বলৈ জনসাধাৰণক বাট দেখুৱায়। যোগভ্যাস, ধ্যান আৰু প্ৰাণায়মক আমাৰ আধ্যাত্মিক ঐতিহ্যৰ অংশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ জৰিয়তে দেশৰ প্ৰগতিৰ হকে

বৰঙণি যোগাবলৈ যুৱচাম উৎসাহিত হয়। বিকশিত ভাৰতৰ লক্ষ্য সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰীমোদীয়ে কয়, যে ৰাষ্ট্ৰীয় লক্ষ্যসমূহৰ প্ৰতি সমাজ সজাগ হ'লেহে বিকশিত ভাৰতৰ লক্ষ্য সফল হ'ব।

প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি হায়দৰাবাদত উপস্থিত হৈ তেলেংগানাত প্ৰায় ৯ হাজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উদ্যোগিক তথা আন্তঃগাঁথনি প্ৰকল্প মুকলি কৰাৰ লগতে কিছুসংখ্যক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ জৰিয়তে জনসাধাৰণৰ যাতায়াতৰ সুবিধা উন্নত কৰাৰ লগতে যাত্ৰা নিৰাপদ কৰি তোলা তথা ৰচদ পাতি সৰবৰাহৰ উপৰি যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ লক্ষ্য লৈছে। হায়দৰাবাদৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন কেন্দ্ৰত অনুষ্ঠিত এই কাৰ্যসূচীত তেলেংগানাৰ ৰাজ্যপাল শিৱপ্ৰতাপ শুক্ল, মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডী, কেন্দ্ৰীয় মন্ত্ৰী জি কিষান ৰেড্ডী আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত সমবেত লোকসকলক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পশ্চিম এছিয়া সংঘৰ্ষজৰ্জৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত সৃষ্টি হোৱা ইন্ধন সংকটৰ ক্ষেত্ৰত চৰকাৰে সফল ব্যৱস্থাপনা কৰাত সফল হৈছে। কেন্দ্ৰই গ্ৰহণ কৰা পদক্ষেপৰ জৰিয়তে তেওঁ জনসাধাৰণক ইন্ধনৰ অপব্যয় নকৰিবলৈ আহ্বান জনায়। সৌৰ শক্তি সৃষ্টিৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ অন্যতম আগশাৰীৰ দেশ হিচাপে পৰিগণিত হোৱা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে ৱাৰেংগলত কাকাটীয়া মেগা টেক্সটাইল পাৰ্ক হিচাপে জনাজাত প্ৰধানমন্ত্ৰী মিত্ৰ উদ্যানো উদ্বোধন কৰে। প্ৰায় এহেজাৰ ৭০০ কোটি ব্যয় সাপেক্ষ নিৰ্মিত এই উদ্যানখন হৈছে দেশৰ প্ৰথমখন সম্পূৰ্ণ ৰূপে কাৰ্যক্ষম পি এম মিত্ৰ উদ্যান। এই পদেক্ষপৰ জৰিয়তে ফাৰ্ম, ফাইবাৰ, ফেক্টৰী, ফেশ্বন আৰু ফৰেইন মাৰ্কেট অৰ্থাৎ পাম, সূতা, কাৰখানা, শৈলী আৰু বিদেশৰ বিপণন ক্ষেত্ৰ এই পাঁচটা দৃষ্টিভংগীৰ অধীনত সংহত বস্ত্ৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। এসময়ত বিশ্বৰ আগশাৰীৰ অৰ্থনীতিসমূহৰ ভিতৰত ভাৰত অন্যতম শ্ৰেষ্ঠ আছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ প্ৰগতিৰ যাত্ৰাত বস্ত্ৰ উদ্যোগ অন্যতম শক্তিশালী স্তম্ভ হিচাপে পৰিগণিত হৈ আহিছে। দেশৰ বস্ত্ৰ উদ্যোগ নতুন দিগন্ত অভিমুখে আগবঢ়া বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে হায়দৰাবাদ পানাজী অৰ্থনৈতিক কৰিডৰৰ ১৬৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুডেবেলুৰ আৰু মাহবুব নগৰৰ মাজৰ অংশ চাৰিশৰীয়া ঘাইপথলৈ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। তদুপৰি শ্ৰীমোদীয়ে ছাংগাৰেড্ডী জিলাৰ জাহিৰাবাদ উদ্যোগিক ক্ষেত্ৰৰো বিকাশৰ শুভাৰম্ভণি কৰে।

শ্ৰীমোদীয়ে হায়দৰাবাদত এটা নতুন গ্ৰীণফিল্ড পেট্ৰ'লিয়াম, তেল সৰবৰাহৰ বিশেষ টাৰ্মিনেল, কাজিপেট বিজয়ৱড়া কেইবাশৰীয়া ৰে'ল কৰিডৰ, ৰে'ল বাইপাছৰ অধীনৰ কাজিপেট ৰে'লকে ধৰি কেইবাটাও ৰচদপাতি সৰবৰাহ তথা ৰে'ল প্ৰকল্পৰ পতাকা জোকাৰি শুভ উদ্বোধন কৰে।

০০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে। ছগৰাকী বিজেপি নেতাই আজি মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। তদুপৰি দুগৰাকী ৰাজ্যমন্ত্ৰীক স্বতন্ত্ৰ দায়িত্ব অৰ্পণ কৰি পদোন্নতি দিয়া হয়। ৰাজ্যখনৰ ৰাজ্যপাল আনন্দি বেন পেটেলে লক্ষ্ণৌৰ জনভৱনত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰীসকলক কাৰ্যালয় আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়।

বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ভূপেন্দ্ৰ চৌধুৰী আৰু বিজেপি নেতা মনোজ পাণ্ডেক কেবিনেট মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰা হয়। ৰাজ্যমন্ত্ৰী অজিত পাল সিং আৰু সোমেন্দ্ৰ টোমাৰক পদোন্নতি দি স্বতন্ত্ৰ দায়িত্ব অৰ্পণ কৰা হয়। আনহাতে কৃষ্ণ পাছোৱান, সুৰেন্দ্ৰ ডিলাৰ, হংসৰাজ বিশ্বকৰ্মা আৰু কৈলাশ ৰাজপুতক ৰাজ্যমন্ত্ৰীৰ দায়িত্ব প্ৰদান কৰা হয়। এই সম্প্ৰসাৰণৰ সৈতে ৪০৩ জনীয়া উত্তৰ প্ৰদেশ বিধানসভাৰ মন্ত্ৰীসভাৰ সদস্য সংখ্যা ৬০ লৈ বৃদ্ধি পালে।

০০০০০০

ভাৰতীয় গণতন্ত্ৰৰ ভেঁটি শক্তিশালী কৰাত ন্যায়পালিকা আৰু সংবিধানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বুলি গৃহমন্ত্ৰী অমিত শ্বাহে আজি মতপ্ৰকাশ কৰিছে। চলিচিতৰ জেনেৰেল তুষাৰ মেহতাই ৰছনা কৰা দুখন গ্ৰন্থ উন্মোচন কৰি আজি সন্ধিয়া নতুন দিল্লীত শ্ৰীশ্বাহে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে জনসাধাৰণৰ বিশ্বাস তথা সমাজৰ কাম-কাজসমূহৰ লগতে এটা জাতিৰ বৈশিষ্ট্যসমূহ শক্তিশালী ন্যায় ব্যৱস্থাৰ জৰিয়তে প্ৰতিফলিত হয়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে শ্ৰম সংহিতা ৰূপায়ণৰ লক্ষ্যৰে নতুন নীতি নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ অধীনত বিভিন্ন মন্ত্ৰালয়, বিভাগ, স্বায়ত্ত শাসিত নিকায় আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহত কৰ্মৰত বাহিৰা প্ৰতিষ্ঠানৰ জৰিয়তে নিয়োজিত কৰ্মচাৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সুৰক্ষা বৃদ্ধি পাব। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, সময়মতে বেতন আদায়, ভৱিষ্যনিধি আৰু ৰাজ্যিক কৰ্মচাৰী বীমাৰ দৰে সামাজিক সুৰক্ষা আঁচনিসমূহৰ বাবে বৰঙণিৰ ধন বাধ্যতামূলকভাৱে জমা কৰা, ঠিকাদাৰ আৰু মূল নিয়োগকৰ্তাৰ দায়বদ্ধতা বৃদ্ধি আৰু শ্ৰম আইন উলংঘা কৰাসকলৰ বিৰুদ্ধে শক্তিশালী আইনী ব্যৱস্থা নিশ্চিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ ফলত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বেতন আৰু ন্যায্য বকেয়া আদায়ৰ ক্ষেত্ৰত হোৱা বিলম্ব ৰোধ কৰিব পৰা হ'ব। নতুন নিয়মাৱলীত সময়মতে বেতন আৰু সামাজিক সুৰক্ষা বিষয়ক আঁচনিৰ বৰঙণিৰ অংশ আদায় দিয়াৰ নিয়ম উলংঘা কৰা কোম্পানীসমূহৰ বিৰুদ্ধে প্ৰতিবন্ধকতা আৰোপ আৰু কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি দৈনিক বেতন শ্বিফ্‌ট শেষ হোৱাৰ পাছত, সাপ্তাহিক বেতন সাপ্তাহিক ছুটীৰ পূৰ্বে আৰু মাহিলী বেতন পৰৱৰ্তী মাহৰ ৭ দিনৰ ভিতৰত আদায় দিব লাগিব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব মাৰ্কো ৰুবিঅ' আৰু দেশখনৰ বিশেষ ৰাষ্ট্ৰদূত ষ্টিভ উইটকফে কালি মিয়ামিত কাটাৰৰ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী মহম্মদ বিন আব্দুল ৰহমান অলথানিৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত তেওঁলোকে আমেৰিকা আৰু ইৰাণৰ মাজৰ সাম্প্ৰতিক আলোচনাৰ লগতে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে। তেওঁলোকৰ এই আলোচনাত ইৰাণৰ সৈতে সংঘাতৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে চলি থকা শেহতীয়া প্ৰচেষ্টাৰ বিষয়টোৱে গুৰুত্ব লাভ কৰে।

উল্লেখযোগ্য যে, আমেৰিকা আৰু ইৰাণৰ মাজত ইছলামাবাদত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ আলোচনা বিফল হোৱাৰ পাছত পাকিস্তানে বিষয়টোক লৈ ব্যাপক প্ৰচাৰ চলাই থকাৰ পাছতো দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত নহ'ল। ইয়াৰ বিপৰীতে কাটাৰে নীৰৱেই এই বিষয়ত মধ্যস্থতাকাৰী হিচাপে ভূমিকা গ্ৰহণ কৰাৰ পাছত আমেৰিকাৰ সংশ্লিষ্ট বিষয়াসকলে ইৰাণৰ সৈতে দেশখনৰ আলোচনা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কাটাৰে কাৰ্যকৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰা বুলি মতপ্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে চেন্নাই ছুপাৰ কিংছক জয়ৰ বাবে ২০৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ২০৩ ৰান সংগ্ৰহ

কৰে। দলৰ হৈ জ'চ ইংলিচে সৰ্বাধিক ৮৫ ৰান কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিং'ছে আমালৈ বাতৰি অহা পৰলৈ ১৬  অভাৰ ১টা বলত ৫টা উইকেট হেৰুৱাই ১৬৯ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি ৰায়পুৰত হ'বলগীয়া আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰু, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**